লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# জেওৰা

✍ সংস্থিতা শৰ্মা

(১)

"When adults say, 'Teenagers think they are invincible' with that sly, stupid smile on their faces, they don't know how right they are." কিতাপখনৰ পাত লুটিয়াই গৈ থাকোঁতে লাইনটোত ৰৈ গ'ল বিদিশা। জন গ্ৰীণৰ 'লুকিং ফ্ৰম আলাস্কা'। কিতাপখনৰ কথা বহুতৰ মুখত শুনিছে তাই। আজি পঢ়িবলৈ বহিছে। এনেই ঠাণ্ডাৰ দিন, তাতে আইতাকে কমলা কেইটামান দি গৈছে। বাহিৰত দিও-নিদিওকৈ থকা এচমকা ৰ'দ। কিতাপ পঢ়াৰ আমেজকণ এই বতৰত এৰিব পাৰি জানো? সেয়ে গতানুগতিক দশম শ্ৰেণীৰ ব্যস্ত, আমনিদায়ক ৰুটিনখনৰপৰা এটা দিন নিজৰ বাবে উলিয়াই ল'লে বিদিশাই। হাতত জন গ্ৰীণৰ ম'স্ট পপুলাৰ কিতাপখন। মাঘৰ আমেজ লৈছে আজি তাই। আমেজ লৈছে উমাল শীতৰ। কিতাপখনৰ পাতকেইটা এনেই লুটিয়াই যাওঁতে হঠাতে ৰৈ গ'ল তাই। কিছুসময়ৰ বাবে ভাবুক হৈ পৰিল। বৰ বেয়া অভ্যাস তাইৰ এইটো। হঠাতে ভাবৰ সাগৰ এখনত ডুব যায় তাই। আজিও তাৰ ব্যতিক্ৰম নাছিল। প্ৰয়োজনতকৈ বেছি সংবেদনশীল ছোৱালী বিদিশা নহয়, কিন্তু প্ৰয়োজনাধিকভাৱে বাস্তৱবাদীও নহয়। There is a nice in between space. তাই প্ৰায়েই ভাবে। কিন্তু তাইৰ এই মনৰ ভাববোৰক, চিন্তাবোৰক তাই সন্মান কৰে। অপ্ৰয়োজনীয় বুলি ভাবি দলিয়াই নেপেলায়। সম্পূৰ্ণ নিজৰ বুলিবলৈ এই চিন্তাবোৰেইটো আছে, দলিয়াই পেলোৱা উচিত জানো ?

কমলাৰ বাকলি গুচাই লাহে লাহে কিতাপখন পঢ়িবলৈ আৰম্ভ কৰিলে তাই। কাষৰ ৰূমটোত মাক ডুব গৈছে অফিচৰ এশ এটা কামৰ মাজত। বাৰাণ্ডাত বহি বহু দিনৰ বিৰতিৰ পিছত আইতাকে উল আৰু শলা লৈ বহিছে। ৰেডিঅ'ত জয়ন্ত হাজৰিকাৰ গীতৰ কলি এটা নিম্ন স্বৰত বাজি আছে। স্পটিফাইত বাজি আছে বিদিশাৰ প্ৰিয় প্লে' লিস্টখন, হেডফোনৰ উচ্চস্বৰত!

(২)

বুকুখন ধান বনাদি বানিছে বিদিশাৰ। মাকৰ সমুখত দাগী অপৰাধীৰ দৰে বৈ আছে তাই। ৰাতিপুৱা চকু মেলিয়েই হাতত ফোনটো লৈছিল তাই। মাকৰ খং তাতেই। বাৰে বাৰে কোৱাৰ পাছতো ফোনটো নোথোৱাত মাকে অলপ কাঢ়াকৈয়ে ক'লে। বিদিশায়েও দিলে সমানেই প্ৰত্যুত্তৰ। সেয়াই আৰম্ভণি। শীতল যুদ্ধ এখন ৰাতিপুৱাৰে পৰা চলি আছে দুয়োৰে মাজত। এগুণতে দুগুণ কৰি কথা শুনাইছে তাইক। What a start to the morning! নিজৰ মাজতে অত্যুক্তি কৰি উঠিছে বিদিশাই। মাকৰ তাতেও খং। এই ফোনটোৱেই হেনো ল'ৰা-ছোৱালীৰ মূৰবোৰ খাইছে। ৰাতিপুৱাৰে পৰা এইটোৱেই কথা অকাই-পকাই দহবাৰমান ক'লে। বিদিশাই বিশেষ একো কোৱা নাই। ঠিক জানিছে তাই, যিমান শক্তিশালী যুক্তি থাকিলেও মাকে তাক অযুক্তিকৰ কথা বুলিয়েই ক'ব। সেই যুক্তিক হৰুৱাবলৈ অসংখ্য শেল আছে মাকৰ হাতত। সেয়ে যুঁজখন প্ৰায় একপক্ষীয়ভাৱেই হৈছে। ইফালে বিদিশাৰ মুখত কোনো অভিব্যক্তি নেদেখি মাকৰ যেন ভিতৰৰ তেজহে উতলি আহিছে। শেষত বিদিশালৈ অন্তিম অস্ত্ৰপাত প্ৰেৰণ কৰিলে মাকে।

"আজিৰ পৰা ফোন তোমাৰ হাতত নিদিওঁ। তোমাৰ ফোনটো আমাৰ হাতত দি থৈ যাবা।"

ভমককৈ জ্বলি উঠিল জুইকুৰা। এইপাত অস্ত্ৰই কাম দিলে। বিদিশাই ওলোটাই ধৰিলে মাকক। একেলেথাৰিয়ে কেইবাটাও কথা ওপৰা-ওপৰিকৈ কৈ বিদিশা ৰুমলৈ গ'ল। মুখৰ ভিতৰতে বিৰবিৰাই মাকো পাকঘৰলৈ গ'লগৈ।

মনে মনে থাকিলেও প্ৰব্লেম, কিবা ক'লেও প্ৰব্লেম। বিচাৰে কি মাকে? খঙত ফাটি পৰিছে বিদিশা। এই যে খঙবোৰ বেছি দেৰিলৈ নাথাকে তাই জানে। হ'লেও বৰ লেতেৰা খং এটা উঠি আহিছে তাইৰ। মাকহঁত ইমান অবুজন কিয়! ফোনটোৱে মূৰবোৰ খাইছে? ফোনটোৰ পৰা মূৰ তুলি চালেও মনৰ কথা শুনিবলৈ মানুহ আছে জানো কোনোবা ?

(৩)

পাৰ্থক্যবোৰ ইয়াতেই থাকে। এনেবোৰ সৰু সৰু কথাতেই। দেউতাকৰ মুখত শৈশৱৰ কাহিনীবোৰ শুনি পুনৰ এবাৰ ভাবুক হৈ পৰিল বিদিশা। চাইকেল চলাই স্কুললৈ গৈছিল? গছ বগাইছিল? আবেলি হেনো চুবুৰীয়াৰ লগত খেলিছিলেও! নদীত গা ধোৱাও সম্ভৱ নেকি? আচৰিত হৈছিল বিদিশা। যিবোৰ কথা তাইৰ কল্পনাৰো অতীত, মাকহঁতে সেই কামবোৰ কৰিও পাইছে। বিদিশা স্তব্ধ। য'ত তাইৰ শৈশৱ বুলিলে কেৱল টিভিত ড'ৰেমন, শ্বিন-চ্চেন আৰু টাকেশ্বি'ছ কেছ'ল চোৱাই মনত আছে, মাকহঁতে সেই একেই সময়তেই কৰিছিল প্ৰকৃতিৰ বুকুত মুক্ত বিচৰণ! য'ত চুবুৰীটোৰ আধাতকৈ বেছি মানুহক তাই চিনিয়েই নাপায়, দেউতাকহঁতে সেই সময়ত চুবুৰীয়াৰ স'তে টাংগুটি খেলিছিল! যি সময়ত বহুদিন মুকলি আকাশখনেই বিদিশাই দেখা নাই, সেই সময়ত চাঙত উঠি দেউতাকহঁতে শুইছিল মুকলি আকাশৰ তলত! আশ্চৰ্য্যৰ সীমা নাছিল বিদিশাৰ। মুখেৰে একো নক'লেও বিদিশাই বুজিছিল ঠিকেই। কৃত্ৰিমতাৰ পৰা বহুত দূৰৈত মাক-দেউতাকৰ সঁচাকৈয়ে এটা জীৱন আছিল !

(৪)

ছাদত বহি সূৰ্যাস্ত চাই আছে বিদিশাই। ইমান আৱেগিকভাৱে সিদ্ধান্তবোৰ তাই কিয় ল'বলৈ ধৰিছে তাই ঠিক নিজেও ধৰিব পৰা নাই। প্ৰতিটো কথাতেই আৱেগে প্ৰাধান্য পাবলৈ ধৰিছে তাইৰ। ইমান দুৰ্বল নে তাই? নহয়। সময়ৰ আহ্বান। বয়সৰ হুকুম। বাৰে বাৰে প্ৰেক্টিকেলি ভাবিবলৈ গ'লেওচোন আৱেগেই কৰ্তৃত্ব জাৰি কৰে। ইম'চনবোৰৰ ওচৰতচোন হেৰাই যায় দুৰ্দান্ত লজিকবোৰো। যেন দুয়োৰে মাজত এক অঘোষিত প্ৰতিযোগিতা! এই সূৰ্যাস্তটো চায়ো অদ্ভুত আৱেগত বুকুখন কপিছে তাইৰ। Sun will rise tomorrow again. সকলোৱে কয়। তাইও জানে। কিন্তু, আজিৰ ডুব যোৱা সূৰ্য্যটোৰ উদয় কাইলৈও হ'ব জানো? তাই নাজানে। হয়তো কোনেও নাজানে। এক অদ্ভুত প্ৰশ্ন এইটো!

সিদ্ধান্তবোৰ লওঁতে বেছিভাগ মাকহঁতেই শুদ্ধ হয়। তাতে কাৰো দ্বিমত নাই। বিদিশাৰো নাই। মাকহঁতে চিন্তা কৰে লজিকেলি, প্ৰেক্টিকেলি। ভুল হোৱাৰ প্ৰশ্নই নুঠে। সেয়েহে বিদিশাৰ জীৱনৰ সকলো সৰু-বৰ সিদ্ধান্তৰ ওপৰত মাকহঁতৰ অলিখিত অধিকাৰ। বিদিশাৰ অভিমান এইখিনিতেই। ইনষ্টাগ্ৰামত 'my life, my rule' আদি প'ষ্ট শ্বেয়াৰ কৰিলেও সেই

এটিটিউদ ঘৰত দেখালে যে তাই যাযাবৰী জীৱন কটাব লাগিব সেয়া নিশ্চিত। তথাপি মন যায় তাইৰ। ভুলকৈ হ'লেও নিজৰমতে, নিজৰ বাবে সিদ্ধান্ত এটা ল'বলৈ মন যায় তাইৰ। মাকহঁতে যদি জীৱনৰ বাটত উজুটি খাই শিকিছিল, তেন্তে সেই বাটেৰে যোৱাৰ অধিকাৰ জানো তাইৰো নাই? এবাৰ উজুটি খাই জীৱনৰ পাঠ এটা শিকাৰ অধিকাৰ জানো তাইৰো নাই? হাতত ধৰি মাকহঁতে শিকাই দিয়ক তাইক, কিন্তু খোজকেইটা তাইৰ হৈ দি দিব কিয়?

(৫)

এই জেনেৰেচনটোৰ সমস্যাবোৰেই হয়তো অলপ বেলেগ ধৰণৰ। এই সমস্যাবোৰক নিজৰ শৈশৱৰ কঠিনতাৰ লগত তুলনা কৰাতো কোনোপধ্যেই যুক্তিসংগত হ'ব জানো ? অৱশ্যে যুক্তিসংগততো মাহীৰ ছোৱালীজনীৰ লগত কৰা মোৰ তুলনাও নহয়। মাকহঁতৰ সকলো কথা বিনা প্ৰতিবাদে মানি লৈ স্ফূৰ্তিত থকাৰ নাটক কৰা, বিদিশাৰ দ্বাৰা আৰু সম্ভৱ নহয়। এয়া কোনো ফে'জ নহয় যে পাৰ হৈ যাব। এয়া বিদিশাৰ আৱেগ আৰু ভাৱনাহে। মানুহে কি ক'ব বা কি ভাবিব তাৰপৰা এই আৱেগবোৰৰ একো আহে নাযায়। ই নিজৰ ঠাইত শুদ্ধ। বিদিশাই আজিকালি প্ৰায়ে ভাবে। ঘৰতোত সকলো কথা কোৱাৰেই স্বাধীনতা পাব লাগে তাই। আচল যুঁজখন বাহিৰৰ পৃথিৱীখনৰ লগতহে হ'ব লাগে। পিছে ভয় হয় তাইৰ, মনৰ কথাবোৰ খুলি ক'লে মাকহঁতে ফোনটো কাঢ়ি নলয়টো ? নে তাইক দবিয়াই ক'ব যে এইবোৰ কথা ভাবিবলৈ তাইৰ বয়সেই হোৱা নাই ? কেতিয়াবা ভাবে তাই, যদি এই অভাৰ থিংকিঙবোৰ ৰখাব পৰা গ'লহেঁতেন ! যদি এই কথাবোৰ মাকহঁতক কৈ এবাৰ নিৰ্ভয়ে কান্দিবপৰা গ'লহেঁতেন! কিন্তু এই যে ভয়টো ? বৰ বেয়া বস্তু। আচল কথাবোৰ কৈ দিয়া ভাল নে it is what it is বুলি কৈ যাবলৈ দিয়া ভাল? এবাৰ একো নাই হোৱা বুলি কোৱাৰ পাছত মাকহঁতে সুধিবনে আকৌ এবাৰ আহি? এই যে প্ৰজন্মটো, "the cool, Gen-Z", এই প্ৰজন্মটোৰ বুকুকেইখন কোনোবা এখিনিত মৰমেৰে চেপচেপীয়া, মৰম আকলুৱা আৰু কোনোবা এখিনিত বৰ অকলশৰীয়া ! সমস্যাবোৰ বুজিবলৈ অলপ সময়টো দিব লাগিব। কিন্তু বুজাৰ চেষ্টা জানো মাকহঁতে নকৰিব ? সমস্যাৰ সমাধান মাকহঁতৰ পৰা বিচৰাই নাই, কিন্তু প্ৰথম খোজটো দি এবাৰ দুৱাৰত খটখটাইটো চাওঁক! কি ঠিক, জেওৰাখন ভাঙেই যদি ?

(৬)

মাকহঁত আৰু তাইৰ মাজত যিমানবাৰেই কোনো পাৰ্থক্য নাই বুলি তাই ভাবিছে, সিমানবাৰেই ভুল প্ৰমাণিত হৈ আহিছে। এতিয়া বুজিছে তাই। এই যে পাৰ্থক্যবোৰ, এয়াই হয়তো জেনেৰেচন গেপ। ভুলটো জেনেৰেচন গেপৰ নাই। ভুল আছে আমাৰ। মাহঁতৰ। ভুল আমাৰেই যে এই জেনেৰেচন গেপক আমি কেতিয়াও 'আনগেপ' কৰিবলৈ চেষ্টাই নকৰিলো। মাহঁতে আমাক নুবুজে বুলি কওঁ সঁচা। কিন্তু মাহঁতক হয়তো আমি বুজাবলৈ চেষ্টাই নকৰিলোঁ। ৰাতি তিনিটা বজাত অনলাইন ফ্ৰেণ্ডচৰ আগত কোৱা কথাখিনি মাহঁতৰ আগত ক'বলৈও ইমান ভয় নে আমাৰ ? নে সেই ভয়টো সৰুতেই মাহঁতেই সুমুৱাই দিছিল ? তেন্তে ইয়েই কি জেনেৰেচন গেপ ? তেন্তে এই গেপটোক কি গেপ হৈয়েই থাকিবলৈ দিয়া যাব ? নিশ্চয় নাযায়। চেষ্টা খালী দুয়োফালৰ পৰাই লাগিব !

বিদিশাৰ মনটো লাহে লাহে ফৰকাল হৈ পৰিল। দুটা প্ৰজন্মৰ মাজত পাৰ্থক্য যথেষ্ট আছে আৰু এই পাৰ্থক্যবোৰ ভাললগা। পাৰ্থক্যৰ মাজৰ সাঁকোখন গঢ় ল'বলৈ অলপ নিশ্চয় সময় ল'ব। অলপ লেহেমীয়াকৈ হ'লেও যদি সাঁকো এখন গঢ় লয়, তাৰ পৰা সূৰ্যোদয় চাবলৈ কম ভাল লাগিবনে?

**যোগাযোগৰ ঠিকনা:**
দশম শ্ৰেণী, অসম জাতীয় বিদ্যালয়, নুনমাটি
দূৰভাষ: ৯৮৬৪৩ ৮৬২৪৪